# বিদ্যুৎ আৰু চুম্বক

## সাধাৰণ বিজ্ঞান

**১। স্থিৰ বিদ্যুৎ কাক বোলে ?**

**উত্তৰঃ** যি বিদ্যুতৰ আধান স্থিৰ তাক স্থিৰ বিদ্যুৎ বোলে।

**২। চল বিদ্যুতৰ আধানবিলাক কেনেকুৱা?**

**উত্তৰঃ** চল বিদ্যুতৰ আধানবিলাক গতিশীল।

**৩। শক্তি কেনেকৈ উৎপাদন কৰা হয় ?**

**উত্তৰঃ** পানীৰ সোঁতৰ শক্তিৰে টাৰবাইন ঘূৰাই শক্তি উৎপাদন কৰা হয়।

**৪। চুম্বকে কিহক আকৰ্ষণ কৰে?**

**উত্তৰঃ** লো জাতীয় পদাৰ্থক চুম্বকে ষণ কৰে।

**৫। চুম্বকৰ কেইটা মেৰু থাকে?**

**উত্তৰঃ** চুম্বকৰ দুটা মেৰু থাকে।

## অনুশীলনী

**১। স্থিৰ বিদ্যুৎ বুলিলে কি বুজা ?**

**উত্তৰঃ** যি বিদ্যুতৰ আধান স্থিৰ তাকে স্থিৰ বিদ্যুৎ বোলে।

**২। বিদ্যুৎ আমি কেনেদৰে উৎপন্ন কৰিব পাৰো?**

**উত্তৰঃ** পাহাৰ, পৰ্বত আদি ওখ ঠাইৰ পৰা জোৰেৰে নামি অহা পানীৰ সোঁতত ডাঙৰ ডাঙৰ চকৰি ঘূৰাই বিদ্যুৎ উৎপাদন কৰিব পৰা যায়। সৌৰচালিত পাংখাত দিনত সূৰ্য্যৰ পোহৰ সঞ্চয় কৰিও বিদ্যুৎ পাব পাৰি।

**৩। টাৰবাইন কি?**

**উত্তৰঃ** টাৰবাইন হ’ল বিদ্যুৎ উৎপাদন কৰিবলৈ ব্যৱহাৰ কৰাঁ ডাঙৰ ডাঙৰ এক প্ৰকাৰৰ চকৰি।

**৪। ঘৰত বিজুলী শক্তিৰে চলোৱা কেইবিধমান আহিলাৰ নাম লিখা ?**

**উত্তৰঃ** ঘৰত বিজুলী শক্তিৰে চলোৱা কেইবিধমান আহিলা হ’ল—বৈদ্যুতিক বালব, টেলিভিচন, বিজুলী পাংখা, ৰেফ্ৰিজাৰেটৰ, পানী উঠোৱা যন্ত্ৰ, আদি।

**৫। চুম্বকীয় আৰু অচুম্বকীয় পদাৰ্থ কাক বোলে? উদাহৰণ দিয়া?**

**উত্তৰঃ** যিবোৰ পদাৰ্থক চুম্বকে আকৰ্ষণ কৰে, তাকে চুম্বকীয় পদাৰ্থ বোলে। যেনে : লো, গজাল, বেজী, পিন আদি।

যিবোৰ পদাৰ্থক চুম্বকে আকৰ্ষণ নকৰে, তেনেবোৰ পদাৰ্থক অচুম্বকীয় পদাৰ্থ বোলে।যেনে :- কাঠ, বাঁহ, কাগজ, বহী আদি।

**৬। এডাল চুম্বকৰ মেৰু কেইটা? কি কি?**

**উত্তৰঃ** এডাল চুম্বকৰ মেৰুদুটা—

ক) উত্তৰ মেৰু।

খ) দক্ষিণ মেৰু।

## অতিৰিক্ত প্ৰশ্নোত্তৰ

**১। চল বিদ্যুৎ কাক বোলে?**

**উত্তৰঃ** যিবোৰ বিদ্যুতৰ আধানবোৰ গতিশীল, তেনে বিদ্যুতক চল বিদ্যুৎ বোলে।

**২। বিদ্যুৎ শক্তিৰ উৎপাদন কেন্দ্ৰ থকা দুখন ঠাইৰ নাম লিখা ?**

**উত্তৰঃ** বিদ্যুৎ শক্তিৰ উৎপাদন কেন্দ্ৰ থকা দুখন ঠাই হ'ল—অসমৰ কাৰ্বি আংলং জিলাৰ উমৰাংচু, মেঘালয়ৰ উমক্ৰু।

**৩। চুম্বকৰ সাধাৰণ ধৰ্মটো কি ?**

**উত্তৰঃ** চুম্বকৰ সাধাৰণ ধৰ্মটো হ'ল— চুম্বকৰ একেজাতীয় মেৰুৰ মাজত বিকৰ্ষণ আৰু বিপৰীত জাতীয় মেৰুৰ মাজত আকৰ্ষণ হয়।